[19-HRPGKOW–M3S(N) 20M]

MA 3rd Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S3–03 (Lang)]

(পালি-প্রাকৃত-অপভ্রংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ)

Full Marks : 80

Time : 3 hours

. The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্রশ্নসমূহৰ চমু উত্তৰ লিখক : 1×8=8

(i) 'প্রাচীন প্রাকৃত' স্তৰৰ নিদর্শনসমূহ কি কি ?

(ii) সংস্কৃত 'ন' ধ্বনিটো পালিত কি ধ্বনিলৈ পৰিৱর্তন হ'ল ?

(iii) পালি ভাষাত কি কি স্বৰধ্বনি পোৱা যায় ?

(iv) কবি আব্দুল ৰহমানৰ পূর্বপুৰুষসকল কোন অঞ্চলৰ লোক আছিল ?

(v) কালিদাসৰ 'মেঘদূতম্'ৰ সৈতে 'সন্দেশ ৰাসক'ৰ দুটা বৈসাদৃশ্য উল্লেখ কৰক।

(vi) 'ভূ-পৰিক্রমা' কাৰ ৰচনা ? গ্রন্থখনৰ মূল বিষয়বস্তু কি ?

(vii) 'কীর্তিলতা'ৰ দুটা ভাষাগত বৈশিষ্ট্য লিখক।

(viii) সংস্কৃতৰ তৰল স্বৰকেইটা কি কি ?

(Turn Over)

(b) শুদ্ধ উত্তৰটো বাছি উলিয়াওক : 1×4=4

(i) সংস্কৃতৰ শিশ্ ধ্বনিকেইটাৰ ভিতৰত পালিত শ / ষ / স-ৰ হে প্ৰয়োগ থাকিল।

(ii) "প্ৰাচ্য উপভাষাৰ প্ৰভাৱযুক্ত মধ্যদেশীয় যিটো ভাষিক ৰূপত বুদ্ধৰ বাণীবোৰ অনুবাদ হৈছিল সেই ভাষাই 'পালি' ভাষা।" এই মন্তব্য গ্ৰীয়াৰ্ছন / সুনীতিকুমাৰ চেটাৰ্জ্জী / বাণীকান্ত কাকতিয়ে আগবঢ়াইছিল।

(iii) 'সেতুবন্ধ' মহাৰাষ্ট্ৰী / শৌৰসেনী / মাগধী প্ৰাকৃতত ৰচিত গ্ৰন্থ।

(iv) অনুস্বাৰ আৰু বিসৰ্গক সংস্কৃত ব্যাকৰণবিদসকলে বিশিষ্ট বৰ্ণ / শ্ৰুতি বৰ্ণ / অযোগৱাহ বৰ্ণ আখ্যা দিছে।

(c) খালী ঠাঁই পূৰ কৰক : 1×4=4

(i) প্ৰাকৃতৰ অন্ত্য স্তৰটোক গ্ৰীয়াৰ্ছনে _____ বুলি আখ্যা দিছে।

(ii) 'সন্দেশ ৰাসক' _____ ছন্দত ৰচিত।

(iii) শঙ্কৰীপ্ৰসাদ বসুৱে বিদ্যাপতিক _____ হিচাপে বিভূষিত কৰিছে।

(iv) '√অস্' ধাতুৰ পালি ভাষাত বৰ্ত্তমানৰ প্ৰথম পুৰুষৰ বহুবচনৰ ৰূপ হৈছে _____।

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) অশোকৰ স্তম্ভানুশাসনক বিষয়বস্তু অনুসৰি কেইটা ভাগত ভাগ কৰা হৈছে?

(b) পণ্ডিত ফিয়াৰ আৰু গগৰ্লিয়ে 'ধম্মপদ'ৰ অৰ্থ কি বুলি উল্লেখ কৰিছে?

(c) 'সন্দেশ ৰাসক' নামকৰণৰ তাৎপৰ্য চমুকৈ লিখক।

(d) 'কীৰ্তিলতা'ৰ তৃতীয় পল্লৱ'ৰ বৰ্ণনীয় মূল বিষয়বস্তু কি?

(e) ধ্বনি বিপৰ্যয়ৰ ফলত সংস্কৃত শব্দ পালি-প্ৰাকৃতত কি ৰূপত ব্যৱহৃত হৈছে, দুটা উদাহৰণ আগবঢ়াওক।

(f) সংস্কৃতৰ শব্দ-বিভক্তিক কিয় 'সুপ্‌বিভক্তি' বোলা হয়?

3. তলৰ যি কোনো চাৰিটাৰ অসমীয়া ভাঙনি কৰি আঁচটনা শব্দটোৰ অর্থ লিখক : 3×4=12

(a) পুৰা মহানসম্হি দেৱানংপ্রিয়স প্রিয়দসিনো ৰাঞো অনুদিৱসং বহূনি প্রাণ সত-সহস্রানি আৰভিসু সুপাথায়।

(b) ফন্দনং চপলং চিত্তং দূৰক্খং দুন্নিৱাৰয়ং
উজুং কৰোতি মেধাৱী উসুকাৰো'ৱ তেজনং।

(c) আৰম্ভন্তস্স ধুঅং লচ্ছী মৰণং ৱি হোই পুৰিসস্স।
তং মৰণং অনাৰম্ভে ৱি হোই লচ্ছী উণ ণ হোই॥

(d) বিজয়ণয়ৰহু কাবি বৰৰমণি,
উত্তংগথিৰথোৰথণি, বিৰুডলক্কি, ধয়ৰট্ঠপউহৰি।
দীণাণণি পহুণিহই জলপৱাহ পৱহংতি দীহৰি॥
বিৰহগ্গিহি কণয়ংগিতনু তহ সামলিমপৱন্নু।
ণজ্জই ৰাহি বিড়ংবিঅউ তাৰাহিৰই সউন্নু॥

(e) সুঅন পসংসই কব্ব মঝু দুজ্জন বোলই মন্দ।
অৱসও ৱিসহৰ ৱিস ৱৰ্মই অমিঞ ৱিমুক্কই চন্দ॥

4. তলৰ যি কোনো **তিনিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) পাঠ্য গাথাকেইটাৰ আধাৰত 'গাহাসত্তসঈ'ৰ কাব্যিক সৌন্দর্য বিচাৰ কৰক।

(b) সাহিত্যিক প্রাকৃতৰ সাধাৰণ বৈশিষ্ট্যসমূহ লিখক।

(c) পালি ভাষাৰ সন্ধি কেই প্রকাৰৰ আৰু কি কি? আলোচনা কৰক।

(d) সংস্কৃতত কাৰক কেই প্রকাৰৰ আৰু কি কি? কাৰক অনুসৰি কিদৰে শব্দ-বিভক্তি প্রয়োগ হয়, উদাহৰণসহ দেখুৱাওক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) 'অভিজ্ঞানশকুন্তলম্' নাটকত সমকালীন সমাজৰ কোনবোৰ দিশৰ প্ৰতিফলন ঘটিছে, আলোচনা কৰক।

(b) পালি ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(c) সংস্কৃত স্বৰধ্বনিৰ গুণ-বৃদ্ধি-সম্প্ৰসাৰণৰ বিষয়ে চমুকৈ আলোচনা কৰি পালি-প্ৰাকৃতত এইসমূহ কিমানদূৰ ৰক্ষিত হৈছে, বিচাৰ কৰক।

(d) সংস্কৃতত তুমুণন্ত ক্ৰিয়াপদ কেনেদৰে গঠিত হয়? সংস্কৃতৰ তুমুণন্ত ক্ৰিয়াপদসমূহ পালি-প্ৰাকৃতত কেনেদৰে পৰিৱৰ্তন হৈছে, বুজাই লিখক।

★★★